জাননী যোগে ২০১৯ চনৰ ১০ জুন তাৰিখে এই সম্পৰ্কীয় খচৰা নিৰ্দেশনা জাৰি কৰে। ইয়াৰ পৰৱৰ্তী পদক্ষেপ হিচাপে ২০১৯ চনৰ ৩০ ছেপ্টেম্বৰ তাৰিখে পৰিৱেশ সংবেদনশীল মণ্ডল বিষয়ক সমিতিৰ বৈঠকত দিহিং পাটকাইৰ বিষয়টো আলোচনা কৰা হয়। উল্লেখযোগ্য যে দিহিং পাটকাই অভয়াৰণ্যখনৰ প্ৰস্তাৱিত পৰিৱেশ সংবেদনশীল মণ্ডলৰ পৰিসীমা ধাৰ্য কৰা হৈছে ২১৫.৮২ বৰ্গ কিল'মিটাৰ আৰু অভয়াৰণ্যখনৰ সীমাৰপৰা এই মণ্ডলৰ দূৰত্ব নিৰ্ধাৰণ কৰা হৈছে শূন্যৰপৰা ৭.৫ কিল'মিটাৰলৈকে। অৰ্থাৎ **অভয়াৰণ্যখনৰ চাৰিওদিশৰ এই পৰিসীমাৰ ভিতৰত চৰকাৰী-বেচৰকাৰী কোনোৰেই অভয়াৰণ্যখনৰ অস্তিত্বলৈ ভাবুকি কঢ়িয়াই আনিব পৰা কোনো উদ্যোগ বা প্ৰকল্প নিৰ্মাণ কৰিব নোৱাৰিব। খচৰা নিৰ্দেশনা জাৰি কৰা এবছৰ অতিক্ৰম কৰাৰ পাছতো এতিয়ালৈকে অঞ্চলটোক পৰিৱেশ সংবেদনশীল মণ্ডল ঘোষণা নকৰাত এই অঞ্চলটোৰ অন্তৰ্ভাগত অন্যান্য লঘু-গুৰু উদ্যোগ বা আন প্ৰকল্প গঢ়ি উঠাৰ সম্ভাৱনা নথকা নহয়।**

উল্লেখযোগ্য যে এই সমগ্ৰ বৰ্ষাৰণ্যৰ ভূগৰ্ভ ভূতাত্ত্বিকভাৱে Upper Tertiary Rocksৰ সৈতে টিপাম বালি শিলাখণ্ডৰে গঠিত হোৱা হেতুকে ই কয়লা, খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছৰ অপৰ্যাপ্ত ভাণ্ডাৰেৰে পূৰ্ণ। সেয়ে বিশেষকৈ অভয়াৰণ্যখনৰ আপাৰ দিহিং বনাঞ্চল খণ্ডৰ প্ৰায় কাষতে অইল ইণ্ডিয়া লিমিটেডৰ কেইবাখনো উচ্চ উৎপাদনক্ষম তেল আৰু গেছ ক্ষেত্ৰ আছে আৰু ভৱিষ্যতেও এই বৃহত্তৰ এলেকাটোত তেল-গেছৰ সন্ধান পোৱাৰ সম্ভাৱনা আছে। তেনেদৰে অভয়াৰণ্যখনৰ পূব দিশে থকা ডিৰক বনাঞ্চলখনৰ ভূগৰ্ভত কেইবা নিযুত মেট্ৰিক টন উৎকৃষ্টমানৰ কয়লা ভাণ্ডাৰ মজুত আছে। অভয়াৰণ্যখনৰ চাৰিওদিশে পৰিৱেশ সংবেদনশীল মণ্ডল বা অভয়াৰণ্যখনক অদূৰ ভৱিষ্যতে ৰাষ্ট্ৰীয় উদ্যানলৈ উন্নীত কৰিলে এই খনিজ সম্পদসমূহ আহৰণ কৰাত পৰিৱেশ আৰু আইনগত দুয়োটা দিশৰপৰাই অসুবিধাৰ সন্মুখীন হ'ব লাগিব। পৰৱৰ্তী সময়ত উদ্ভৱ হ'বলগীয়া এনেধৰণৰ কাৰিকৰী দিশসমূহ এতিয়াই সন্মুখত ৰাখি আগনাবাঢ়িলে পাছলৈ পৰিস্থিতি আৰু জটিল হোৱাৰ সম্ভাৱনা আছে।

বিদ্বৎ মহলত এইখন অভয়াৰণ্য বিশেষভাৱে পৰিচিত যদিও ইয়াৰ দাঁতিকাষৰীয়া সৰ্বসাধাৰণ ৰাইজ কিন্তু অভয়াৰণ্যখনৰ মহত্ত্ব বা গুৰুত্বক লৈ গৌৰৱান্বিত নহয়। তেওঁলোকৰ বাবে ই গছ-গছনিৰে ভৰা আৰু হাতীকে ধৰি নানা বনৰীয়া জীৱ-জন্তু থকা এখন জংগল মাথোন। অৱশ্যে ইয়াৰ কাষৰীয়া বহুতো লোকৰ বাবে এই অভয়াৰণ্যখন জীৱন-নিৰ্বাহৰো উৎসস্থল। দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ এইসকল লোক ঘৰ-দুৱাৰ নিৰ্মাণৰ বাবে বাঁহ-কাঠ, প্ৰয়োজনীয় শাক-পাচলি, মাছ-পুঠিৰ বাবে এই অৰণ্যখনৰ ওপৰতেই নিৰ্ভৰশীল। কিন্তু শেহতীয়াকৈ একাংশ লোকে বনৰীয়া জীৱ-জন্তুৰ বিশেষকৈ হাতীৰ খাদ্য, যেনে—ঔটেঙা, বনৰীয়া কলডিল, বাঁহগাজ, বেতগাজ, তৰা গজালি ইত্যাদি পাইকাৰী হাৰত অৰণ্যখনৰপৰা আহৰণ কৰি ব্যৱসায় কৰিবলৈ আৰম্ভ কৰাত হাতীৰ প্ৰাকৃতিক খাদ্যসম্ভাৰ যথেষ্ট হ্ৰাস পোৱাৰ অভিযোগ উত্থাপিত হৈছে আৰু খাদ্যৰ সন্ধানত কাষৰীয়া জনপদসমূহলৈ বনৰীয়া হাতীৰ জাকৰ আগমন পূৰ্বতকৈ বৃদ্ধি পাইছে।

বন্যপ্ৰাণী অভয়াৰণ্যখন ৰাষ্ট্ৰীয় উদ্যানলৈ উন্নীত কৰাৰ পূৰ্বে বন বিভাগৰ বিধি-বিধান অনুযায়ী ইয়াৰ সীমা নিৰ্ধাৰণ, ৰাজহুৱা শুনানি, খচৰা জাননী প্ৰকাশ আদি বিভাগীয় নীতি-নিয়মসমূহ পালন কৰোঁতে নিশ্চয় কিছু সময়ৰ প্ৰয়োজন হ'ব। কিন্তু ইয়াৰ পূৰ্বে সময় থাকোঁতেই বিশেষকৈ অৰণ্য, বনৰীয়া জীৱ-জন্তুৰ লগত জড়িত বিজ্ঞানী, সংৰক্ষণৰ হকে কাম কৰা স্বেচ্ছাসেৱী সংস্থা বা ব্যক্তি, সমাজবিজ্ঞানী আদিৰ মাজত বাৰ্তালাপ, আলোচনা হোৱাটো নিতান্তই প্ৰয়োজনীয়।

দিহিং পাটকাই সংৰক্ষণৰ হকে আজি বহুদিনৰপৰাই কাম কৰি অহা নাহৰকটীয়াৰ মৃদুপৱন ফুকনৰ মতে, এই বন্যপ্ৰাণী অভয়াৰণ্যখন ৰাষ্ট্ৰীয় উদ্যানলৈ উন্নীত কৰিবলৈ লোৱা সিদ্ধান্তটো সময়োচিত আৰু এনে এখন আপুৰুগীয়া অৰণ্য সংৰক্ষণ তত্তালিকে কৰাটো অতীৱ প্ৰয়োজনীয়। কিন্তু ৰাষ্ট্ৰীয় উদ্যান ঘোষণা কৰাৰ পূৰ্বে বিস্তৃত জৰীপ কৰি বৰ্তমানৰ ১১১.১৯ বৰ্গ কিল'মিটাৰৰ অভয়াৰণ্যখনৰ পৰিধি বনৰীয়া জীৱকুলৰ স্বাৰ্থতে আৰু বিস্তাৰ কৰিব লাগে। অভয়াৰণ্যখন ঘোষণা কৰাৰ পূৰ্বে পশ্চিম দিশে থকা জয়পুৰ সংৰক্ষিত বনাঞ্চলখনৰ বিভিন্ন প্ৰজাতিৰ গছ-গছনিৰে ভৰা গভীৰ প্ৰায় ৯০ বৰ্গ কিল'মিটাৰ বনভূমি অন্তৰ্ভুক্ত কৰা নহ'ল। এই এলেকাটো এতিয়াও কয়লা বা তেল খননৰপৰা মুক্ত। ভৱিষ্যতৰ ৰাষ্ট্ৰীয় উদ্যানখনত এই বনাঞ্চলডোখৰক অন্তৰ্ভুক্ত কৰাটো উচিত আৰু আপাৰ দিহিং বনাঞ্চলৰ সম্পূৰ্ণ ২৭৫ বৰ্গ কিল'মিটাৰ এলেকাটোও ইয়াৰ আওতালৈ অনাটো উদ্যানখনৰ বাবেই প্ৰয়োজনীয়। তদুপৰি পূব দিশৰ ডিৰক বনাঞ্চলখনৰ সংলগ্ন অংশটোকো ইয়াত অন্তৰ্ভুক্ত কৰিব পৰা সম্ভৱ নেকি তাৰো পৰীক্ষা কৰা আৱশ্যক।

বিভিন্ন মানৱসৃষ্ট কাৰকৰ বাবে প্ৰায় ৯৩৭ বৰ্গ কিল'মিটাৰজোৰা এই সংলগ্ন অৰণ্যখনৰ ভূমি ইতিমধ্যে খণ্ডিত হৈছে যদিও যথাসম্ভৱ অধিক পৰিমাণৰ বনাঞ্চলৰ ভূমি প্ৰস্তাৱিত ৰাষ্ট্ৰীয় উদ্যানখনত অন্তৰ্ভুক্ত কৰাটো দীৰ্ঘ দূৰত্ব প্ৰব্ৰজন কৰা জীৱ-জন্তুসমূহ বিশেষকৈ হাতীৰ বাবে নিৰাপদ আৰু ফলপ্ৰসূ হ'ব। উল্লেখযোগ্য যে বনৰীয়া হাতী সংৰক্ষণৰ বাবে ২০০৩ চনৰ ১৭ এপ্ৰিল তাৰিখে Project Elephant আঁচনিৰ অধীনত এই ৯৩৭ বৰ্গ কিল'মিটাৰ অঞ্চলক দিহিং পাটকাই হাতী সংৰক্ষিত এলেকা (Dehing Patkai Elephant Reserve) হিচাপে ইতিমধ্যে ঘোষণা কৰা হৈছে।

বিভিন্নজাতীয় উদ্ভিদ আৰু প্ৰাণী জগতৰ সুকীয়া বৈশিষ্ট্যৰ বাবে দিহিং পাটকাই অভয়াৰণ্যখনৰ শৈক্ষিক আৰু বৈজ্ঞানিক গৱেষণাৰ দিশতো যথেষ্ট গুৰুত্ব আছে। আনহাতে অভয়াৰণ্যখনক কেন্দ্ৰ কৰি পৰিৱেশ অনুকূল পৰ্যটন উদ্যোগ (Sustainable Eco Tourism) এটা ইয়াত গঢ়ি তুলিব পাৰি। **হাবিতলীয়া বাটেৰে পদব্ৰজে অৰণ্য ভ্ৰমণ, পক্ষী নিৰীক্ষণ, ঘন বৰ্ষাৰণ্যৰ মাজেদি বুঢ়ীদিহিং নৈত নৌকা বিহাৰ ইত্যাদিৰে অভয়াৰণ্যখনৰ কাষৰীয়া অঞ্চলসমূহত বহনক্ষম পৰ্যটন সেৱা আৰম্ভ কৰিলে কৰ্মসংস্থাপনৰ সুযোগ-সুবিধা সৃষ্টি হোৱাৰ লগতে আৰ্থ-সামাজিক ক্ষেত্ৰখনৰো বিকাশ হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে।**

দিহিং পাটকাই অভয়াৰণ্যখন ভ্ৰমণ কৰাত আগ্ৰহীসকলে কেইবাটাও পথেৰে ইয়ালৈ আহিব পাৰে। ইয়াক উপভোগ কৰিব খোজাসকলে তৈলনগৰী ডিগবৈক কেন্দ্ৰ কৰি ল'লে অধিক সুবিধা হয়। ডিগবৈ নগৰৰপৰা অভয়াৰণ্যখনৰ ডিৰক বনাঞ্চল আৰু আপাৰ দিহিং বনাঞ্চল দুয়োখন তেনেই সমীপত (দূৰত্ব আনুমানিক ১৫ কিল'মিটাৰ)। ডিগবৈত থকা-মেলাৰ বাবে সুবন্দৱস্ত আছে। আনহাতে জয়পুৰ বনাঞ্চল ভ্ৰমণত আগ্ৰহীসকলে নামৰূপত বাহৰ পাতিব লাগিব। বৰ্তমান অভয়াৰণ্যখনত প্ৰৱেশৰ বাবে তেনে কোনো বাধা-নিষেধ নাই যদিও ডিৰক আৰু আপাৰ দিহিঙৰ বাবে ডিগবৈ বন সংমণ্ডল প্ৰাধিকাৰী আৰু জয়পুৰৰ বাবে ডিব্ৰুগড় বন সংমণ্ডল প্ৰাধিকাৰী কাৰ্যালয়ৰপৰা আগতীয়া অনুমতি লোৱাটো বাঞ্ছনীয়। অভয়াৰণ্যখন ভ্ৰমণ কৰাৰ উপযুক্ত সময় সাধাৰণতে শীতকাল যদিও বৰ্ষাৰণ্যখনৰ আচল মাদকতা আৰু ৰোমাঞ্চ উপভোগৰ বাবে বৰ্ষাকালটোও উপযুক্ত সময় বুলি ক'ব পাৰি।

ঠিকনা ঃ ৱাৰ্ড নম্বৰ-১, চাৰি নম্বৰ মাকুমপথাৰ, ডাক ঃ মাকুমপথাৰ-৭৮৬১৮৭, তিনিচুকীয়া, ফোন ঃ ৭৫৭৭৮৮৯৫৭৭
ই-মেইল ঃ ranubaruwa@gmail.com